# মোৰ শেহতীয়া কেৰালা যাত্ৰা

মই ইয়াৰ আগৰ এখন চিঠিত উল্লেখ কৰিছিলো যে কৰ্মসূত্ৰে মই বছেৰেকত চাৰি/পাঁচবাৰমান কেৰালালৈ যাবলগীয়া হয়। মই তাৰ বডিডিকা নামৰ ঠাইত থকা Marthoma College of Speech and Hearing নামৰ কলেজ এখনত পঢ়াবলৈ যাওঁ। ২০০৩ চনত স্বেচ্ছাই কেন্দ্ৰীয় চৰকাৰৰ চাকৰীৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছৰে পৰা দক্ষিণ ভাৰতৰ কেইবাখনো প্ৰতিষ্ঠানত ভিজিটিং প্ৰফেচৰ হিচাবে কাম কৰি আহিছো।

এই প্ৰসঙ্গতে এটা সৰু ভুল ধাৰণাৰ কথা উল্লেখ কৰো। দক্ষিণ ভাৰতৰ পৰম্পৰা মতে লিপ্যান্তৰত ভাৰতীয় ভাষাবোৰত থকা 'ত' আখৰটো বুজাবলৈ th আৰু 'ট' আখৰটো বুজাবলৈ t ব্যৱহাৰ কৰা হয়। মই ভালেমান অসমীয়া খবৰ কাগজত 'তিৰুবানন্তপূৰম'ৰ সলনি 'থিৰুবানন্তপূৰম' দেখিছো। ইংৰাজী (ৰোমান লিপি)ৰ th দেখি মানুহৰ 'থ' বুলি ধাৰণা হয়। মোৰ নামটো ইয়াত সকলোৱে Basanthi বুলি লিখে। মোৰ অত্যন্ত ঘনিষ্ঠ মানুহখিনিৰ বাহিৰে সকলোৱে সেইদৰেই লিখে। আনকি বাৰে বাৰে শুদ্ধৰাই দিয়াৰ পিছতো চেকবুকত কেতিয়াবা Basanthi বুলিয়েই আহে। এবাৰ অসমলৈ যাওঁতে কাৰোবাৰ মুখত 'দোচা' শব্দটো 'ধোচা' বুলি শুনি আচৰিত হৈছিলো কাৰণ কোনো এটা দক্ষিণ ভাৰতীয় ভাষাত 'ধোচা' বুলি উচ্চাৰণ নকৰে। তেনেস্থলত 'ধোচা' বুলি ক'ত শুনিলে ? কিছু চিন্তা কৰাৰ পিছত নিজেই উত্তৰটো পালো। কোনোবা দক্ষিণ ভাৰতীয় লোকে হোটেল খুলি তাত 'দোচা' শব্দটো ইংৰাজীত dhosa বুলি লিখিছিলে হয়ত। সেয়ে উচ্চাৰণ ধোচা বুলি ধৰি লোৱা হ'ল।

এতিয়া পুনৰ আহো মাৰতোমা (মাৰথোমা নহয়) কলেজৰ কথালৈ। এইখন এখন মাৰতোমা পন্থী চিৰিয়ান খৃষ্টিয়ানে চলোৱা কলেজ। মালয়ালম ভাষাত 'মাৰ' শব্দৰ অৰ্থ হৈছে সন্ত (saint) । 'তোমা' হৈছে থমাচৰ সংক্ষিপ্ত নাম। ইউৰোপত প্ৰৱেশ কৰাৰ ভালেমান আগতেই খৃষ্ট ধৰ্মই ভাৰতবৰ্ষত প্ৰৱেশ কৰে। যীশুখৃষ্টৰ বাৰজন প্ৰধান শিষ্য (apostle) ৰ এজন চেইন্ট থমাছে ৫২ খৃষ্টাব্দতে কেৰালাত প্ৰৱেশ কৰি কেইবাটাও উচ্চ বৰ্ণৰ পৰিয়ালক খৃষ্ট ধৰ্মলৈ ধৰ্মান্তৰিত কৰে। সেইসকলক চিৰিয়ান খৃষ্টিয়ান বুলি কোৱা হয়। তেওঁলোকৰ মাজতো কেইবাটাও ভাগ আছে আৰু তাৰে এটাক মাৰতোমা বোলা হয়। বাকীবোৰ খৃষ্টিয়ান আৰু মাৰতোমা পন্থীসকলৰ মাজত এটা প্ৰধান পাৰ্থক্য হৈছে এয়েই যে তেওঁলোকে কেৱল যীশুৰহে উপাসনা কৰে – মেৰীৰ উপাসনা নকৰে। তদুপৰি তেওঁলোকৰ ধৰ্মযাজকসকলে ঘৰ সংসাৰ কৰিব পাৰে। চিৰিয়ান খৃষ্টিয়ানসকলৰ

এটা বিশেষত্ব এয়েই যে তেওঁলোকে হিন্দু ধৰ্মৰ ভালেমান ৰীতি-নীতি, নিয়ম আদি প্ৰচলিত ৰাখিছে। মই সেই বিষয়ে পিছৰ কোনোবা এখন চিঠিত বিতংকৈ লিখিম।

ভাৰতবৰ্ষত, বিশেষকৈ দক্ষিণ ভাৰতত শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত খৃষ্টিয়ানসকলৰ ভালেমান অৱদান আছে। অন্যান্য পন্থীসকলৰ দৰে মাৰতোমাপন্থীসকলেও দক্ষিণ ভাৰতত বিশেষকৈ কেৰালাত বিভিন্ন শিক্ষানুষ্ঠান স্থাপন কৰিছে। তাৰে এখন হৈছে মই ওপৰত উল্লেখ কৰা কলেজখন। এইখন ২০০৩ চনত স্থাপন কৰি প্ৰথমতে কাছাৰগোদ জিলাৰ চাৰকলা নামৰ ঠাইত থকা বাক আৰু শ্ৰৱণহীন লোকৰ স্কুলখনৰ পৰাই চলোৱা হৈছিল। সেই স্কুলখনো তেওঁলোকৰ দ্বাৰাই পৰিচালিত। আজি ৬/৭ বছৰ মানৰ আগতে কলেজখন বডিডিকাৰ নিজা কেম্পাছলৈ আহে। ২০০৩ চনত এই কলেজখনৰ সঞ্চালক আছিল ৰেভাৰেণ্ড ফাদাৰ যোছেফ মাথাই নামৰ এজন ব্যক্তি। কলেজ আৰম্ভ কৰি তাত পঢ়াবলৈ অভিজ্ঞ মানুহৰ সন্ধানত তেখেত মাইচুৰলৈ আহিছিল। আন দুই একৰ লগতে মোকো তেখেতে অনুৰোধ কৰিছিল। তেতিয়াৰে পৰা মই বৰ্তমানলৈকে ১৩ বছৰ ধৰি নিয়মিয়াকৈ অহা যোৱা কৰি আছো। প্ৰথমতে তাত কেৱল স্নাতক পৰ্য্যায়তহে শিক্ষাদান হৈছিল আৰু আজি ৫ বছৰৰ আগৰ পৰা স্নাতকোত্তৰ পৰ্য্যায়ত শিক্ষাদন হৈছে। মই দুয়োটা পৰ্য্যায়তে পঢ়াও। ২০১৫-১৬ শিক্ষাবছৰত মই তালৈ শেষবাৰৰ বাবে গৈছিলো যোৱা মাহৰ ৩১ তাৰিখে। দুয়োটা কৰ্ছৰ পাঠ্যক্ৰম পঢ়াই শেষ কৰি ৫ দিনৰ পিছত ঘুৰি আহিলো।

মই ইয়াৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলো দুপৰীয়া ১ বজাৰ ভলভ' বাচত। বাচ এৰোতে প্ৰায় দেৰ বাজিবৰ হৈছিল। মই বাচেৰে গ'লে কেৰালাৰ সীমান্তত থকা চুল্লিয়া নামৰ ঠাইত নামো আৰু তাৰ পৰা তেওঁলোকৰ গাড়ীৰে কেৰালালৈ লৈ যায়। মই কৰবালৈ গ'লে সাধাৰণতে কিতাপ আলোচনীকে ধৰি ভালেমান কিবাকিবি পঢ়িবলৈ লৈ যাওঁ। গোটেই দিনটো ক্লাছ কৰাৰ পিছত সন্ধ্যা কৰিবলৈ কোনো কাম নাথাকে, গতিকে প্ৰতিবাৰ তালৈ যাওতে একোখন ভাল কিতাপ পঢ়ি শেষ কৰো। এইবাৰ পঢ়িবলৈ অনিতা মুৰ্জানিৰ কিতাপ Dying to be Me খন লৈ গৈছিলো। এই কিতাপখন তালৈ যোৱাৰ এসপ্তাহমানৰ আগতে মোৰ সৰুটো দেওৰ বাবুৱে মোক উপহাৰ দিছিলে। অনিতা মুৰ্জানি হৈছে হংকঙত ডাঙৰ দীঘল হোৱা ভাৰতীয় মূলৰ মহিলা। কেনচাৰত ভুগি থকা লেখিকাৰ যেতিয়া অৱস্থা একেবাৰে শোচনীয় হয় আৰু ক'মা হয় তেতিয়া তেওঁক হস্পিটেলত ভৰ্তি কৰোৱা হয়। ডাক্তৰে তেওঁ মাত্ৰ আৰু কেইঘণ্টামানহে জীয়াই থাকিব বুলি ক'লে। তেতিয়া তেওঁৰ আত্মা কেনেকৈ পৰলোকলৈ গুছি গৈছিল আৰু পুনৰ কেনেকৈ নিজৰ শৰীৰত প্ৰৱেশ কৰিলে সেই কথা বৰ সুন্দৰকৈ বৰ্ণনা কৰিছে। কেৱল সেয়ে নহয়, এই অভিজ্ঞতাৰ ফলস্বৰূপে তেওঁৰ কেনচাৰ কেনেকৈ নিজে নিজে নোহোৱা হ'ল আৰু ই কেনেকৈ পৃথিবীৰ কেনচাৰ বিশেষজ্ঞসকলৰ বাবে পৰম আশ্চৰ্য্যৰ বিষয় হ'ল সেই কথাও লিখিছে। এই অভিজ্ঞতাক ইংৰাজীত Near Death Experience (চমুকৈ NDE) বুলি কোৱা হয়। এই বিষয়ে লিখা আন

এখন কিতাপ "Proof of Heaven – A Neurosurgeon’s Journey into Afterlife" খন মই মাত্র কেইমাহমানৰ আগতে পঢ়িছিলো। সেই বিষয়ে মোৰ মাতৃদিৱস উপলক্ষে এই কাকততে প্ৰকাশ পোৱা লেখাত উল্লেখ কৰিছিলো। ভাৰতবৰ্ষত তেনেধৰণৰ নানান কাহিনী শুনিবলৈ/পঢ়িবলৈ পোৱা যায়। উদাহৰণস্বৰূপে শংকৰাচাৰ্য্যই কাশি ৰজাৰ মৃতদেহত প্ৰৱেশ কৰাৰ কথা পঢ়িবলৈ পাইছিলো। মই এসময়ত এইবোৰ কথা অলিক কল্পনা বুলি সম্পূৰ্ণ নাকচ কৰিছিলো। কিন্তু এতিয়া গম পাইছো যে এই বিষয়ত নানান গৱেষণা, অধ্যয়ন আদি হৈ আছে আৰু বহুতো বিজ্ঞানসন্মত প্ৰমাণ লাভ কৰা হৈছে। NDE Research Foundation এ এই বিষয়ৰ ওপৰত ভালেমান কাম কৰিছে। তেওঁলোকৰ ৱেবচাইট (www.nderf.org) ত সিদিনা এই বিষয়ত প্ৰকাশ হোৱা বিভিন্ন কিতাপৰ তালিকা দেখি আচৰিত হৈছিলো। এইবোৰ দেখি শুনি মই এই কথাটো এতিয়া কিছু গুৰুত্ব সহকাৰে ল'বলৈ ধৰিছো।

কিতাপৰ পাতৰ পৰা হঠাতে মূৰ দাঙি বাহিৰলৈ চাই দেখো যে কেইজনীমান মানুহে মিলি প্ৰায় হালধীয়া বৰণৰ ডাঙৰ ডাঙৰ পাত কিছুমান বাচি আছে। ধপাত বুলি ধৰিব পাৰিলো আৰু তাৰ পৰাই বুজিব পাৰিলো হুনচুৰৰ ওচৰ পাইছোহি বুলি। হুনচুৰত প্ৰচুৰ ধপাত খেতি হয় আৰু সেয়ে হুনচুৰত এটা Tobacco Research Station আছে। ৰাজমন্দ্ৰীত থকা Central Tobacco Research Institute ৰ ই এটা কেন্দ্ৰ। মই যোৱা জুনমাহত এইটো পথেৰে যাওতে আলিবাটৰ দুয়োকাষে ধপাত পুলিবোৰ দেখি গৈছিলো। তাৰ পিছত জুলাই মাহৰ মাজভাগত মোৰ সৰু মামী (কটন কলেজৰ দৰ্শন বিভাগৰ প্ৰাক্তন প্ৰফেচৰ মিনতী বৰঠাকুৰ) হঁত আহোতে তেওঁলোকৰ লগত কুৰ্গ চাবলৈ যাওতে পুলিবোৰ আৰু কিছু ডাঙৰ হোৱা দেখিছিলো। এইবাৰ দেখিলো ধপাতবোৰ লহপহকৈ বেছ বাঢ়িছে।

হুনচুৰৰ ওচৰ পাইছোহি বুলি বুজি পাই কিতাপখন জপাই থবলৈ ঠিক কৰিলো কাৰণ এঘণ্টামানৰ ভিতৰতে কুৰ্গ সোমাম। কুৰ্গ পাহাৰীয়া ঠাই – প্ৰায় শিলঙৰ দৰে। কুৰ্গৰ মাজেৰে গৈ থাকোতে চকু এক মুহূৰ্তৰ বাবেও জপাবলৈ মন নাযায়। উজনি অসমৰ মাজেৰে যাওতে পথৰ দুয়োকাষে চাহ বাগিছাবোৰ দেখাৰ দৰে ইয়াত দুয়োকাষে কফিৰ বাগিছা দেখিবলৈ পোৱা যায়। ছাঁ ৰ বাবে মাজে মাজে থকা ডাঙৰ গছবোৰত মেৰ খাই থাকে জালুকৰ লতা। কুৰ্গ মছলাৰ বাবে বিখ্যাত। তাত একো একোখন ডাঙৰ দোকানত কেৱল মছলাই বিক্ৰি কৰে। জালুক, ইলাচী আদি প্ৰথমবাৰ ডাঙৰ ডাঙৰ চাউলৰ বস্তাত দেখিবলৈ পাই আচৰিত হৈছিলো। ইয়াত ভেনিলাৰ খেতিও হয়। বৰ্তমান গুৰুত্ব দিয়া হৈছে জাট্ৰ'ফা (jatropha)ৰ খেতিত। বায়'ডিজেল জাট্ৰ'ফাৰ পৰা পাব পাৰি। কৰ্ণাটকৰ কেইবা ঠাইতো এই খেতি হয়।

মই অৱশ্যে কুৰ্গৰ মাজেৰে যাওতে আন এটা কাৰণেও অত্যন্ত পুলকিত হওঁ। বহুত মানুহৰ ঘৰৰ আগত নঙলা দেখিবলৈ পোৱা যায়। এসময়ত অসমত প্ৰায়বোৰ মধ্যবিত্ত মানুহৰ ঘৰৰ আগফালে নঙলা আছিল। অতি কম মানুহৰ ঘৰতহে গে'ট আছিল। মাইচুৰ বা ওচৰ পাজৰৰ কোনো ঠাইত মোৰ ইমানদিনে নঙলা চকুত পৰা নাই। সেয়ে কুৰ্গৰ মাজেৰে যাওতে নঙলা দেখাৰ লগে লগে শৈশৱলৈ মনত পৰে – বাচৰ পৰা নামি গৈ নঙলা খুলিবলৈ মন যায়। সদৰ ঠাই মাডিকেৰিৰ পৰা চুল্লিয়ালৈ এঘণ্টাৰ এই বাটচোৱাত এটা ব্যতিক্ৰমী দৃশ্য দেখা যায়। সাধাৰণতে কৰ্ণাটকৰ আন সকলোফালে নাৰিকল গছ দেখা যায়। কিন্তু এই বাটচোৱাত প্ৰচুৰ পৰিমাণৰ তামোল গছ দেখা যায়। কৰ্ণাটকৰ মানুহৰ বৰকৈ তামোল খোৱাৰ অভ্যাস নাই। উত্তৰ ভাৰতত তামোলৰ চাহিদা বেছি বাবে ইয়াৰ তামোলবোৰ উত্তৰ ভাৰতলৈ যায়। ৮০ দশকেৰ মাজভাগত মোক এজন তামোল ব্যৱসায়ীয়ে কোৱা মনত আছে যে অসম আন্দোলনৰ সময়চোৱাত অসমৰ তামোল উত্তৰপ্ৰদেশ আদিলৈ যোৱা বন্ধ হোৱাত কৰ্ণাটকৰ তামোলৰ চাহিদা বাঢ়িছিল আৰু সেই সুযোগতে ইয়াৰ ব্যৱসায়ীসকলে বহুত লাভ কৰিলে।

চুল্লিয়াত বাচৰ পৰা নামি চুপি (কলেজৰ পৰা মোক নিবলৈ পঠোৱা গাড়ীৰ ড্ৰাইভাৰ)ৰ লগত পায়স্বিনী নদীৰ নৈসৰ্গিক সৌন্দৰ্য্য উপভোগ কৰি এঘণ্টাৰ পিছত বডিডিকা পালোগৈ।

পিছদিনা সোমবাৰে গম পালো যে মঙ্গলবাৰে অৰ্থাৎ এই মাহৰ দুই তাৰিখে কলেজ ডে'। মোৰ মতেৰে কলেজ ডে' আগতেই হ'ব লাগিছিলে – কোনোবাই ক'লে মোৰ বাবে ৰৈ আছিল। সঞ্চালক ৰেভাৰেণ্ড ফাদাৰ ৰাজু ফিলিপ জাকাৰিয়া আৰু অধ্যক্ষ ড. ৰাজগোপাল কুমাৰে ক'লে যে ফাংছনৰ সময়ত জ্যেষ্ঠা প্ৰফেচৰ হিচাবে ময়ো মঞ্চত বহিব লাগিব। মুখ্য অতিথি হিচাবে আহিব স্থানীয় এম.এল.এ। মই পৰম বিস্ময়ত অভিভূত হৈছিলো যেতিয়া দেখিলো তেওঁলোকে মোক সন্মানিতা কৰিলে। সেই প্ৰতিষ্ঠানত সৰ্বাতোকৈ দীৰ্ঘদিন ধৰি সেৱা আগবঢ়োৱাৰ স্বীকৃতি হিচাবে সেই সন্মান প্ৰদান কৰা হ'ল।